# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-OCT-2026
**Time :** 1910 PM

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কাইলৈ চাংহাই সহযোগিতা সংস্থাৰ বৈঠকত অংশ ল'বলৈ তাজিকিস্তানৰ ডুশ্বানবেলৈ যাব।

২। কলকাতাৰ দুৰ্গাপূজা মণ্ডপত কালি সংঘটিত দুৰ্ঘটনাৰ পাছতে আৰক্ষীয়ে অঞ্চলটোত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে।

৩। অসমত আজি পৰম্পৰাগত ৰীতি-নীতিৰে কাতি বিহু পালন কৰা হৈছে।

৪। ইৰাণৰ নৱনিযুক্ত প্ৰতিৰক্ষা মন্ত্ৰী মেহৰ্দাদ আখলঘীয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক ইৰাণৰ ওপৰত পুনৰ আক্ৰমণৰ চিন্তা নকৰিবলৈ সকিয়াই দিছে।

**আৰু**

৫। জাপানৰ আইচি নাগ'য়াত আজিৰে পৰা ২০২৬ বৰ্ষৰ এছিয়ান পেৰা গেম্‌ছ অনুষ্ঠিত হৈছে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কাইলৈ তাজিকিস্তানৰ ডুশ্বানবেলৈ যাব। ডুশ্বানবেত আৰম্ভ হ'বলগীয়া চাংহাই সহযোগিতা সংস্থাৰ চৰকাৰ প্ৰধানসকলৰ পৰিষদৰ ২৫ সংখ্যক বৈঠকত দেশক প্ৰতিনিধিত্ব কৰাৰ উদ্দেশ্যে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকী দেশখনলৈ যাব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই দুদিনীয়া বৈঠকত চাংহাই সহযোগিতা সংস্থাৰ সদস্য ৰাষ্ট্ৰসমূহৰ মাজত বিশেষকৈ বাণিজ্য, অৰ্থনীতি, বিনিয়োগ, যোগাযোগ, উদ্ভাৱন আৰু সাংস্কৃতিক-মানৱীয় বিনিময়কে ধৰি বিভিন্ন ক্ষেত্ৰত বহুপাক্ষিক সহযোগিতা সুদৃঢ় কৰাত গুৰুত্ব আৰোপ কৰা হ'ব। বৈঠকত বৰ্তমানৰ সহযোগিতা উদ্যমৰ অগ্ৰগতিৰ পৰ্য্যালোচনা আৰু সংস্থাটোৰ বিত্তীয় আৰু প্ৰতিষ্ঠানগত কাম-কাজ সম্পৰ্কীয় সিদ্ধান্তৰ মূল্যায়ন কৰাৰ সম্ভাৱনা আছে বুলি মন্ত্ৰ্যালয়ে জানিবলৈ দিছে। এই বৈঠকে দেশক চাংহাই সহযোগিতা সংস্থাৰ অন্য সদস্য ৰাষ্ট্ৰৰ সৈতে ব্যৱহাৰিক আৰু পৰস্পৰৰ বাবে লাভদায়ক সহযোগিতা আগুৱাই নিয়া সন্দৰ্ভত মত বিনিময় কৰাৰ সুযোগ প্ৰদান কৰিব।

ooooo

কলকাতাৰ চোৰবাগান দুৰ্গাপূজা মণ্ডপত কালি সংঘটিত মৰ্মান্তিক ঘটনাৰ পাছতে কলকাতা আৰক্ষীয়ে চোৰবাগানৰ আশে-পাশে বৃহৎ এলেকাজুৰি অহা তিনিদিনলৈ ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। আৰক্ষীয়ে ৫ জন বা ততোধিক লোকৰ সমাগম, শোভাযাত্ৰা, ৰাজহুৱা সভা আৰু বিপদজনক অস্ত্ৰ-শস্ত্ৰ কঢ়িয়াই নিয়াত নিষেধাজ্ঞা আৰোপ কৰিছে। ইয়াৰ মাজতে কলকাতা আৰক্ষীয়ে আজি এই ঘটনাৰে জড়িত ৭ জন লোকক গ্ৰেপ্তাৰ কৰিছে।

ইপিনে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি কলকাতাত উপস্থিত হৈ এই ঘটনাত আহতসকলৰ স্বাস্থ্যৰ বুজ লয়। তেওঁ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। উল্লেখযোগ্য যে, যোৱা নিশা এই ঘটনাত পদপিষ্ট হৈ কমেও ১৯ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে অন্য ২৫ জন লোক আহত হৈছিল।

ধাৰাষাৰ বৰষুণ আৰু আকস্মিকভাৱে ভক্তৰ সংখ্যা বৃদ্ধিৰ বাবে এই ঘটনা সংঘটিত হয়। এই দুৰ্ঘটনাৰ পাছতে আহতসকলক ততাতৈয়াকৈ কলকাতা চিকিৎসা মহাবিদ্যালয় হাস্পতাল, আৰ জি ক'ৰ চিকিৎসা মহাবিদ্যালয় আৰু এন আৰ এছ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়া হয়। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰী, ৰাজ্যখনৰ স্বাস্থ্যমন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়াসকলে চিকিৎসালয়লৈ গৈ আহতসকলৰ বুজ লয় আৰু চিকিৎসাৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে এই ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ ২৫ লাখ টকাকৈ সাহায্য আৰু পৰিয়ালৰ এজন সদস্যক চৰকাৰী চাকৰি প্ৰদানৰ কথা ঘোষণা কৰে।

০০০০০

ৰাজ্যজুৰি আজি কাতি বিহু পালন কৰা হৈছে। আহিন আৰু কাতিৰ দোমাহীৰ দিনা তুলসীৰ তল আৰু পথাৰে পথাৰে আকাশবন্তি জ্বলাই কৃষিজীৱি ৰাইজে শস্য শ্যামলা পথাৰৰ আশাৰে প্ৰাৰ্থনা জনায়। ব'হাগৰ উলাহ আৰু মাঘৰ ভোগ আনন্দৰ বিপৰীতে কাতি বিহু হৈছে সংযম, আশা আৰু সম্ভাৱনাৰ প্ৰতীক। কাতি বিহু উপলক্ষে আজি গধূলি তুলসীৰ তলত বন্তি জ্বলোৱাৰ লগতে ভঁৰাল ঘৰ, গোহালী, পদূলি আদিত চাকি-বন্তি জ্বলাই কৃষিজীৱি ৰাইজে মংগল কামনা কৰিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাতি বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে তুলসী তলৰ বন্তিগছিয়ে সকলোলৈকে সুখ-সমৃদ্ধি কঢ়িয়াই অনাৰ লগতে কৃষকৰ আশাৰ ধাননিডৰা সোণালী শস্যৰে উপচি পৰি ঘৰে ঘৰে লখিমীৰ বসতি হোৱাৰ কামনা কৰে।

০০০০০

মহাৰাষ্ট্ৰৰ বীড জিলাত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত পাঁচজন লোকে প্ৰাণ হেৰুৱায়। দুৰ্ঘটনাটোত মৃত্যু হোৱা লোকৰ মাজত এটি ১১ বছৰীয়া শিশুও আছে। চৰকাৰী সূত্ৰই আকাশবাণীক জানিবলৈ দিয়া মতে জিলা সদৰৰ পৰা প্ৰায় ৫৫ কিলোমিটাৰ নিলগৰ মাজালগাঁও তহছিলৰ অন্তৰ্গত খামগাঁও-পান্ধাৰপুৰ ৰাষ্ট্ৰীয় ঘাইপথত এই দুৰ্ঘটনাটো সংঘটিত হয়। মাজালগাঁৱৰ পৰা কাষৰীয়া ধাৰাশিৱ জিলাৰ টুলজাপুৰ অভিমুখে গৈ থকা এখন গাড়ীৰ সৈতে বিপৰীত দিশৰ পৰা অহা ৰাজ্যিক পথ পৰিবহন নিগমৰ বাছ এখনৰ মুখামুখিকৈ খুন্দা লগাত মাজালগাঁৱৰ এই লোককেইজন মৃত্যুমুখত পৰে।

০০০০০

উচ্চতম ন্যায়ালয়ে চলিত বছৰৰ জুলাইত যন্তৰ-মন্তৰ আৰু দিল্লীৰ বাহিৰৰ অন্য ঠাইত সংঘটিত হিংসাত্মক ঘটনাৰ সৈতে জড়িত সকলো দিশৰ তদন্তৰ বাবে এখন উচ্চ ক্ষমতা সম্পন্ন তদন্ত সমিতি গঠন কৰি দিছে। তদুপৰি ক্ষতিগ্ৰস্ত লোকসকলৰ সুবিধাৰ্থে এটা পোৰ্টেল মুকলি কৰা হৈছে। এই সমিতিখনে চলিত বছৰৰ ১৮ আগষ্টত উচ্চতম ন্যায়ালয়ে দিয়া আদেশৰ ১২ আৰু ১৩ নম্বৰ অনুচ্ছেদ তথা ১০ ছেপ্তেম্বৰত এই আদেশৰ ৫ নম্বৰ অনুচ্ছেদত সকলো বিষয় পৰীক্ষা কৰিব।

০০০০০

ইৰাণৰ নৱনিযুক্ত প্ৰতিৰক্ষা মন্ত্ৰী মেহৰ্দাদ আখলঘীয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক ইৰাণৰ ওপৰত পুনৰ আক্ৰমণৰ চিন্তা নকৰিবলৈ সকিয়াই দিছে। তেওঁ কয় যে ইৰাণে আমেৰিকাৰ আক্ৰমণক

প্ৰতিহত কৰিব পৰাকৈ এতিয়া শক্তিশালী হৈ উঠিছে আৰু নিজৰ সামৰিক শক্তি অধিক বৃদ্ধি কৰিছে। উল্লেখযোগ্য যে মেহৰ্দাদ আখলঘীক আজি ইৰাণৰ সংসদে প্ৰতিৰক্ষা মন্ত্ৰী হিচাপে নিযুক্তিত অনুমোদন দিয়ে। সংসদত ভাষণ দি আখলঘীয়ে কয় যে ইৰাণৰ ওপৰত পৰা প্ৰতিটো আক্ৰমণৰ প্ৰত্যুত্তৰ দিব পৰাকৈ ইৰাণ সাজু হৈ উঠিছে। ড'নাল্ড ট্ৰাম্পক অঞ্চলটোৰ পৰা আমেৰিকাৰ সেনাবাহিনী প্ৰত্যাহাৰৰ সকিয়নী দি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে সেনা প্ৰত্যাহাৰ নকৰিলে যিকোনো পৰিস্থিতিৰ মুখামুখি হ'বলৈ আমেৰিকা সাজু হৈ থাকিব লাগিব।

০০০০০

পশ্চিম বংগৰ এটা পৰ্বতাৰোহণকাৰী দলে পূব লাডাখৰ পূৰ্বে অনাৱিস্কৃত তিনিটা শৃংগত সফলতাৰে আৰোহণ কৰিছে। তদুপৰি তেওঁলোকে নতুন পথেৰে চাং চেন্‌মো কাংগ্ৰি শৃংগতো আৰোহণ কৰে। ন-কৈ আৱিস্কাৰ কৰা শৃংগ তিনিটাক দুগৰাকী কিম্বদন্তী পৰ্বতাৰোহী টেনজিং নৰ্গে আৰু এডমাণ্ড হিলাৰীৰ লগতে স্বাধীনতা সংগ্ৰামী নেতাজী সুভাষ চন্দ্ৰ বসুৰ নামেৰে নামকৰণ কৰাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে।

অভিজ্ঞ পৰ্বতাৰোহী ৰুদ্ৰপ্ৰসাদ হালদাৰ আৰু গিনিজ বুকত স্থান লাভ কৰা সত্যৰূপ সিদ্ধান্তৰ নেতৃত্বত যোৱা পৰ্বতাৰোহী দলটোৱে যোৱা ২৫ আগষ্টত আৰম্ভ কৰা চাং চেন্‌মো কাংগ্ৰি আৰোহণ অভিযানৰ অংশ হিচাপে যোৱা ১১ ছেপ্তেম্বৰত নতুন পথেৰে পৰ্বত বগাই সাগৰপৃষ্ঠৰ পৰা ছহেজাৰ ৫৩৬ মিটাৰ উচ্চতাত থকা শৃংগটোত আৰোহণ কৰে। এই অভিযানৰ সময়ছোৱাতে তেওঁলোকে ৯ ছেপ্তেম্বৰত ছহেজাৰ ৪০০ মিটাৰ উচ্চতাৰ, ১৬ ছেপ্তেম্বৰত ছহেজাৰ ৪২০ মিটাৰ উচ্চতাৰ আৰু ২০ ছেপ্তেম্বৰত ছহেজাৰ ২৭৪ মিটাৰ উচ্চতাৰ আন তিনিটা নতুন শৃংগতো সফলতাৰে আৰোহণ কৰে।

০০০০০

জাপানৰ আইচি নাগ'য়াত আজিৰে পৰা এছিয়ান পেৰা গেম্‌ছ ২০২৬ অনুষ্ঠিত হৈছে। বিশ্বৰ ভিন ভিন দেশৰ ৪৫খন ৰাষ্ট্ৰীয় পেৰালিম্পিক কমিটীৰ অধীনত প্ৰায় তিনি হাজাৰগৰাকী খেলুৱৈয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। অহা ২৪ অক্টোবৰত সামৰণি পৰিবলগীয়া মহাদেশীয় ক্ৰীড়া প্ৰতিযোগিতাৰ এইবেলিৰ পঞ্চম সংস্কৰণত ১৮বিধ খেলৰ আয়োজন কৰা হৈছে। নাগোয়াৰ পালোমা মিজোহো ষ্টেডিয়ামত **আমি একোগৰাকী সুন্দৰ ব্যক্তি** -এই মূলমন্ত্ৰৰে আজিৰ উদ্বোধনী অনুষ্ঠান সম্পন্ন হয়। এই অনুষ্ঠানত জাপানৰ প্ৰধানমন্ত্ৰী ছানাই টাকাইছিয়ে এছিয়া মহাদেশৰ ভিন ভিন দেশক প্ৰতিনিধিত্ব কৰা খেলুৱৈ আৰু বিষয়াসকলক আদৰণি জনায়।

পেৰা বেডমিণ্টন খেলুৱৈ প্ৰমোদ ভগত আৰু দৌৰবিদ ছিমৰন শৰ্মাই ধবজা বহন কৰি ভাৰতৰ হৈ অংশগ্ৰহণ কৰা প্ৰতিনিধি দলটোক নেতৃত্ব দিয়ে। উল্লেখযোগ্য যে এছিয়ান পেৰা গেম্‌ছ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ২৮১ গৰাকী খেলুৱৈৰে সমৃদ্ধ ভাৰতীয় দলটোত মুঠ ১৬৮ গৰাকী খেলুৱৈৰ লগতে ১১৩ গৰাকী বিষয়া আৰু সহায়কাৰী ব্যক্তি আছে। খেলুৱৈসকলৰ মাজৰ ১১২ জন পুৰুষ আৰু ৫৬ গৰাকী মহিলা খেলুৱৈয়ে মুঠ ১১ বিধ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। খেলুৱৈসকলৰ মাজৰ কেইগৰাকীমান হ'ল জেভলিন খেলুৱৈ সুমিত আণ্টিল, শ্যুটাৰ অৱনী লেখাৰা, ধনুৰ্বিদ শীতল দেৱী, দৌৰবিদ ছিমৰন শৰ্মা, প্ৰমোদ ভগত আৰু ভাৱিনা পেটেল। এই পেৰালিম্পিক প্ৰতিযোগিতাৰ খেলসমূহ ৱেভ্‌ছ অ'টিটি এপ আৰু প্ৰচাৰ ভাৰতীৰ স্পোৰ্টছ ইউটিউব চেনেলৰ জৰিয়তে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০০

ভাৰত আৰু জিম্বাব'ৱেৰ মহিলা ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। টছত জিকি জিম্বাব'ৱেই প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়। বাতৰি যুগুতোৱাৰ পৰলৈকে জিম্বাব'ৱেই ৩ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ৫ ৰাণ কৰি খেলি আছে। স্মৃতি মান্ধানা নেতৃত্বাধীন ভাৰতীয় দলটোৱে যোৱা শুকুৰবাৰে একেটা স্থানত অনুষ্ঠিত প্ৰথমখন খেলত ৪ উইকেটত জয়লাভ কৰি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে।

চত্তিশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও ছাইৰ পৰামৰ্শ মৰ্মে বিশেষ উদ্যমৰ অংশ হিচাপে মহিলাৰ বাবে শৃংখলাৰ তিনিওখন খেলৰ টিকট বিনামূলীয়া কৰা হৈছে। শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল পৰহিলৈ একেখন ষ্টেডিয়ামতে অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত